**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-02-2026 **Time :** 1100 Hrs.

0000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী শ্বাহে কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰিব আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। তেওঁ এখন নিৰ্বাচনী সভাত ভাষণ দিব আৰু বৰাক উপত্যকাত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ যাব আৰু সন্ধিয়া অসমলৈ উভতি আহিব।

শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। কাছাৰ জিলাৰ ৩ হাজাৰ ৭০২গৰাকী, শ্ৰীভূমি জিলাৰ দুহেজাৰ ৩৯২গৰাকী আৰু হাইলাকান্দিৰ এহেজাৰ ১৭৯গৰাকী উদ্যমীয়ে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিব। এই উপলক্ষে আজি শিলচৰৰ আই এছ বি টিত বিয়লি ৪ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

এই অনুষ্ঠানতে আজি অমৃত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ জিলাৰ পানীযোগান ব্যৱস্থাত নৱতম সংযোজন হিচাপে দুটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। জিলাখনৰ লক্ষীপুৰ নগৰত ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা পানীযোগান প্ৰকল্পটো আজি উদ্বোধন কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে লক্ষীপুৰ নগৰৰ ১০ টা ৱাৰ্ডত মুঠ চাৰি হাজাৰ নলযোগে খোৱাপানী সংযোগ স্থাপনৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত প্ৰায় দুহেজাৰ ৫৫ টা পৰিয়াল উপকৃত হ'ব। তদুপৰি অমৃত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৩২ কোটি টকা ব্যয়সাপেক্ষে শিলচৰ পয়ঃপ্ৰণালী নিষ্কাশন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা পৰহিলৈৰ পৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এই মেলা ৮ মাৰ্চত সমাপ্ত হ'ব। গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা কাৰিকৰসকলৰ নিৰ্মিত সামগ্ৰীৰে চৰচ মেলাত ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

———অসমত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ নিৰীক্ষণৰ প্ৰয়োজন নাই বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে। বিষয়টো সন্দৰ্ভত সৰ্বোচ্চ ন্যায়ালয়ত দাখিল হোৱা এখন ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদন নাকচ কৰি ন্যায়ালয়ে কয়, যে অসমত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ হোৱা বাবে এতিয়া ৰাজ্যখনত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপংখ নিৰীক্ষণৰ কোনো অৱকাশ নাই। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাৰ প্ৰাক্তন সভাপতি মৃণাল কুমাৰ চৌধুৰীয়ে দাখিল কৰা পি আই এলৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মালা বাগছি আৰু ন্যায়াধীশ বিপিন পাঞ্চলিৰ খণ্ড বিচাৰপীঠে কালি এই কথা স্পষ্ট কৰি দিছে। শুনানিৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে কয়, যে অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া চলি আৰু এই প্ৰক্ৰিয়া বৰ্তমান উচ্চতম ন্যায়ালযৰ নিৰীক্ষণত আছে। সেয়ে অসমত এতিয়া ভোটাৰ তালিকাৰ বিশেষ পুংখানুপংখ নিৰীক্ষণৰ প্ৰয়োজন নাই বুলি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে যুক্তি দাঙি ধৰে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষা তথা শান্তি-শৃংখলা বজাই ৰখাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট জিলা দণ্ডাধীশে এটা নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি জিলাখনৰ মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা লোকসকলক নিজ নিজ অস্ত্ৰ আৰু গুলীবাৰুদসমূহ শীঘ্ৰেই আৰক্ষী থানাত জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে। অৱশ্যে এই নিৰ্দেশ সশস্ত্ৰ বাহিনী, আৰক্ষী আৰু কৰ্তব্যৰত অনুমোদিত চৰকাৰী বিষয়াৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। এই নিৰ্দেশ উলংঘা কৰিলে অস্ত্ৰ আইনৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও কোৱা হৈছে।

০০০০০০০

ধুবুৰী জিলাৰ চাপৰ আৰক্ষীয়ে আজি পুৱতি নিশা অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে চাবোনৰ বাকচত মাদক দ্ৰব্য সৰবৰাহৰ সময়ত জিয়াউৰ ৰহমান নামৰ সৰবৰাহকাৰীজনক হাতে-লোটে ধৰা পেলায়। অধিক তথ্যৰ বাবে লোকজনক সোধাপোচা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**